# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-03-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰিব।

২। অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি বৰপেটা জিলাৰ শ্ৰীশ্ৰীপাটবাউসী সত্ৰত ১৯ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৩। আজি বিশ্ব গ্ৰাহক অধিকাৰ দিৱস। গ্ৰাহকসকলৰ অধিকাৰ আৰু ইয়াৰ সুৰক্ষা সুনিশ্চিত কৰাৰ প্ৰয়োজনীয়তাক সোঁৱৰাই দিয়াৰ উদ্দেশ্যে প্ৰতি বছৰে ১৫ মাৰ্চৰ দিনা এই দিৱস পালন কৰা হয়।

৪। প্ৰাক্তন বেংকাৰ মাৰ্ক কাৰ্নিয়ে কালি কানাডাৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে।

*আৰু*

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটত আজি মুম্বাইৰ ব্ৰেবৰ্ণ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত মুম্বাই ইণ্ডিয়ানছ ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰিব। কালি সন্ধিয়া যোৰহাট বিমান বন্দৰত উপস্থিত হোৱা গৃহমন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনায়। শ্ৰীশ্বাহে আজি দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমী জনসাধাৰণৰ বাবে উৎসৰ্গা কৰিব। ১৬৭ কোটি ৪০ লাখ টকাৰ ব্যয় সাপেক্ষে এই পুলিচ একাডেমী নিৰ্মাণ কৰা হৈছে। তেওঁ লগতে ৪২৫ কোটি ৪৮ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া লাচিত বৰফুকন পুলিচ একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। আজি সন্ধিয়া গৃহমন্ত্ৰীগৰাকী আইজললৈ যাত্ৰা কৰিব। তাত তেওঁ দেশৰ আটাইতকৈ পুৰণি অৰ্ধসামৰিক বাহিনী আছাম ৰাইফলছৰ প্ৰায় ডেৰশ বছৰ পুৰণি ছাউনীটো আইজল নগৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ নিলগৰ জোখ'ছাঙলৈ স্থানান্তৰিত কৰা অনুষ্ঠানত ভাগ ল'ব। আছাম ৰাইফলছৰ ছাউনীটো জোখ'ছাঙলৈ স্থানান্তৰ কৰাৰ মিজো লোকসকলৰ দীৰ্ঘদিনীয়া আশা পূৰণ কৰাত গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক হ'ব বুলি বিবেচনা কৰা হৈছে। ১৯৮৮ চনৰ পৰাই মিজো লোকসকলে আইজল নগৰৰ সোঁমাজত থকা আছাম ৰাইফলছৰ ছাউনীটো এখন নতুন ঠাইলৈ স্থানান্তৰিত কৰাৰ দাবী কৰি আহিছিল। সেই সময়ৰ লালদেংগাৰ নেতৃত্বৰ এম এন এফ চৰকাৰে স্থানান্তৰকৰণৰ বাবে প্ৰথমটো প্ৰস্তাৱ দিছিল। যোৱা বছৰৰ ২৩ অক্টোবৰত নতুন দিল্লীত মিজোৰাম চৰকাৰ আৰু আছাম ৰাইফলছ বাহিনীৰ মাজত আছাম ৰাইফলছৰ ঘাটি জোখ'ছাঙলৈ স্থানান্তৰিত কৰাৰ

ক্ষেত্ৰত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি আছাম ৰাইফলছৰ আইজলৰ খাটলাত থকা মিজোৰাম খণ্ডৰ আঞ্চলিক চৌহদ আৰু টুইখোৰটলাঙৰ ৰাজভৱনৰ সমীপত থকা উপ-আৰক্ষী মহাপৰিদৰ্শকৰ চৰকাৰী বাসভৱন স্থানান্তৰিত কৰা নহয়। উল্লেখযোগ্য যে, জোখ’ছাঙত বাহিনীটোৰ মূল শিবিৰৰ নিৰ্মাণৰ কাম গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা বছৰৰ এপ্ৰিল মাহত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকী কাইলৈ গুৱাহাটীলৈ ওভতি আহিব আৰু কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত অংশগ্ৰহণ কৰিব। নতুন দিল্লীলৈ উভতি যোৱাৰ পূৰ্বে তেওঁ গুৱাহাটীৰ হোটেল ৰেডিশ্বন ব্লুত ভাৰতীয় ন্যায় সংহিতাৰ ৰূপায়ণ সন্দৰ্ভত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ’ব।

ooooo

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি বৰপেটা জিলাৰ শ্ৰীশ্ৰীপাটবাউসী সত্ৰত ১৯ কোটি টকা ব্যয় সাপেক্ষে কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৫০ লাখ টকা ব্যয় সাপেক্ষে পাটবাউসী সত্ৰৰ শ্ৰীশ্ৰীশংকৰদেৱ থানত নিৰ্মাণ কৰা সংগ্ৰহালয়টো মুকলি কৰে। ড° শৰ্মাই শ্ৰীশ্ৰীশংকৰদেৱ থান, দেৱ দামোদৰ গুৰুৰ আদিধাম, চিনপৰা ভিঠি থানত সেৱা আগবঢ়োৱাৰ উপৰি ইয়াৰ সৈতে জড়িত বহুকেইটা সৌন্দৰ্যবৰ্ধন আৰু উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। বৈষ্ণৱ ঐতিহ্য সংৰক্ষণৰ লক্ষ্যৰে গ্ৰহণ কৰা এই প্ৰচেষ্টাই জিলাখনত পৰ্যটনৰ প্ৰসাৰৰ জৰিয়তে নিয়োগ আৰু ৰাজহ সৃষ্টি কৰিব বুলি  আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৰপেটালৈ আহি প্ৰথমে বাহৰ পতা চিনপৰা ভিঠি থান পৰিদৰ্শন কৰি প্ৰায় ৭ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ’বলগীয়া সত্ৰখনৰ আন এটা আন্তঃগাঁথনি উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ড° শৰ্মাই বৰপেটাৰ অনুপম হোলী গীত পৰিৱেশনো উপভোগ কৰে। কাৰ্যসূচীৰ অন্তত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কয়, যে অসম চৰকাৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন পৰিক্ৰমাৰ লগত জড়িত প্ৰতিখন সত্ৰ আৰু থানৰ উন্নয়নৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰীগৰাকীক কালি বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰী, অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু ৰঞ্জিত কুমাৰ দাসে সংগ দিয়ে।

ooooo

আজি বিশ্ব গ্ৰাহক অধিকাৰ দিৱস। গ্ৰাহকসকলৰ অধিকাৰ আৰু ইয়াৰ সুৰক্ষা সুনিশ্চিত কৰা প্ৰয়োজনীয়তাক সোঁৱৰাই দিয়াৰ উদ্দেশ্যে প্ৰতি বছৰে ১৫ মাৰ্চৰ দিনা এই দিৱস পালন কৰা হয়। এই দিৱস পালনে সকলো গ্ৰাহকৰে প্ৰাথমিক অধিকাৰসমূহৰ বিষয়ে গুৰুত্ব আৰোপ কৰা তথা এই অধিকাৰসমূহক সন্মান আৰু সুৰক্ষিত কৰা কাৰ্যক উদগনি যোগোৱাৰ সুযোগ দিয়ে। ২০২৫ বৰ্ষৰ বিশ্ব গ্ৰাহক অধিকাৰ দিৱসৰ মূল বিষয়বস্তু হৈছে- **বহনক্ষম জীৱন শৈলীৰ বাবে ন্যায়সংগত পৰিৱৰ্তন**। কেন্দ্ৰীয় চৰকাৰে গ্ৰাহকসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ উদ্দেশ্যে আৰু তেওঁলোকৰ ওজৰ আপত্তিসমূহ সোনকালে নিষ্পত্তি কৰাৰ বাবে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। গ্ৰাহক পৰিক্ৰমা মন্ত্ৰালয়ে জাগ’ গ্ৰাহক জাগ’ কাৰ্যসূচীৰ জৰিয়তে গ্ৰাহকসকলক সজাগ কৰাৰ উদ্দেশ্যে বিভিন্ন কাম-কাজ অব্যাহত ৰাখিছে। ৰাষ্ট্ৰীয় গ্ৰাহক হেল্পলাইনে গ্ৰাহকসকলৰ ওজৰ-আপত্তিসমূহ দ্ৰুততাৰে সমাধান কৰাৰ উদ্দেশ্যে এহেজাৰতকৈও অধিক কোম্পানীৰ সৈতে সহযোগিতাৰে কাম কৰি আছে। ই-বাণিজ্যৰ যোগেদি অসাধু বেহা

বেপাৰৰ পৰা গ্ৰাহকসকলক সুৰক্ষিত কৰাৰ বাবেও গ্ৰাহক পৰিক্ৰমা মন্ত্ৰ্যালয়ে ২০২০ চনত গ্ৰাহক সুৰক্ষা নীতি, ই-বাণিজ্য ২০২০ শীৰ্ষক নীতি-নিৰ্দেশনা জাৰি কৰে।

ooooo

প্ৰাক্তন বেংকাৰ মাৰ্ক কাৰ্নিয়ে কালি কানাডাৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ৫৯ বছৰীয়া কাৰ্নি ৯ বছৰ কানাডাৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্য নিৰ্বাহ কৰা জাষ্টিন ট্ৰুডোৰ স্থলাভিষিক্ত হয়। কাৰ্নিৰ লগতে ১৩ জন পুৰুষ আৰু ১১ গৰাকী মহিলাৰ নতুন মন্ত্ৰী সভায়ো কালি শপতগ্ৰহণ কৰে। শপতগ্ৰহনৰ পাছত শ্ৰীকাৰ্নিয়ে তেওঁৰ প্ৰথমখন সংবাদমেলত কয়, যে কানাডা কেতিয়াও আমেৰিকা যুক্তৰাষ্ট্ৰৰ অংশ নহয়। কানাডা মূলতঃ এখন পৃঠক দেশ বুলি উল্লেখ কৰি নৱনিৰ্বাচিত প্ৰধানমন্ত্ৰীগৰাকীয়ে কানাডাই আমেৰিকা তথা ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ পৰা সন্মানজনক আচৰণৰ প্ৰত্যাশা কৰে বুলি উল্লেখ কৰে। দেশখনৰ সাৰ্বভৌমত্বৰ প্ৰতি মাৰ্কিন ৰাষ্ট্ৰপতিগৰাকীয়ে সন্মান প্ৰদৰ্শন কৰিলে তেওঁ ৰাষ্ট্ৰপতিগৰাকীক সাক্ষাৎ কৰিবলৈ সাজু বুলি শ্ৰীকাৰ্নিয়ে মন্তব্য কৰে।

ooooo

দিল্লী আৰক্ষীয়ে দিল্লী- এন চি আৰ এলেকাত এটা আন্তঃৰাজ্যিক অবৈধ অস্ত্ৰ-শস্ত্ৰৰ চোৰাং সৰবৰাহকাৰী চক্ৰ উৎখাত কৰিছে। এই চক্ৰৰ ৩ জন মূল সদস্যকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। চক্ৰটোৱে মধ্যপ্ৰদেশ আৰু বিহাৰৰ পৰা দিল্লী তথা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰলৈ এই অবৈধ অস্ত্ৰ-শস্ত্ৰসমূহ যোগান ধৰিছিল। গ্ৰেপ্তাৰ কৰা লোককেইজনক অনিকেত, সৌৰভ আৰু আনন্দ কুমাৰ বুলি চিনাক্ত কৰা হৈছে। অভিযান কালত তেওঁলোকৰ পৰা অবৈধভাৱে সংগ্ৰহ কৰি ৰখা ৫টা পিষ্টল জব্দ কৰা হয়।

ooooo

প্ৰবীণ অভিনেতা তথা বোলছবি নিৰ্মাতা দেৱ মুখাৰ্জীৰ কালি পুৱা মুম্বাইৰ নিজা বাস ভৱনত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা অভিনেতাগৰাকীৰ মৃত্যুৰ সময়ত বয়স আছিল ৮৩ বছৰ। মুম্বাইৰ জুহোৰ পৱনহন্স শ্মশানত তেওঁৰ অন্ত্যোষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। ১৯৬০ আৰু ৭০ দশকত দেৱ মুখাৰ্জীয়ে **"Tu Hi Meri Zindagi", "Abhinetri", "Do Aankhen", "Baton Baton Mein", "Jo Jeeta Wohi Sikander", "King Uncle",** আৰু **"Kaminey"** বোলছবিত সহ অভিনেতা হিচাপে অভিনয় কৰিছিল। তেওঁ লগতে ১৯৮৩ চনত মিথুন চক্ৰৱৰ্তী, কাজল কিৰণ আৰু যোগিতা বালি অভিনীত **"Karate"** ছবিখন পৰিচালনা কৰিছিল।

ooooo

২০২৪ চনত সাগৰৰ জলপৃষ্ঠ আশংকা কৰাতকৈও অধিক দ্ৰুতগতিত বৃদ্ধি পাইছে বুলি নাছাৰ সূত্ৰই প্ৰকাশ কৰিছে। সাগৰপৃষ্ঠৰ পানী উত্তপ্ত হোৱাৰ ফলস্বৰূপে হিমবাহসমূহৰ পানী গলিবলৈ ধৰিছে। আমেৰিকাৰ মহাকাশ সংস্থাটোৱে প্ৰকাশ কৰা অনুসৰি ইয়াৰ ফলত সাগৰৰ জলপৃষ্ঠ বছৰি ০ দশমিক ৪-৩ ছেণ্টিমিটাৰ অতিক্ৰম কৰি বৰ্তমান ০- দশমিক ৫-৯ ছেণ্টিমিটাৰকৈ বৃদ্ধি পাইছে।

নাছাৰ সমুদ্ৰপৃষ্ঠৰ গৱেষক জ'ছ উইলিছে কয়, যে ২০২৪ চনত তাপমাত্ৰাৰ অভিলেখ পৰিৱৰ্তনে সাগৰৰ জলুপৃষ্ঠ দুই-তৃতীয়াংশ বৃদ্ধিত অৰিহণা যোগাইছে।

ooooo

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেটত আজি মুম্বাইৰ ব্ৰেবৰ্ণ ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত মুম্বাই ইণ্ডিয়ানছ ডেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। মেগ লেনিং নেতৃত্বাধীন ডেলহি কেপিটেলছে প্ৰতিযোগিতাৰ ৮ খন খেলৰ ৫ খনত জয় লাভ কৰি লীগ পৰ্যায়ত শক্তিশালী প্ৰদৰ্শন আগবঢ়ায়। ডেলহি কেপিটেলছে তৃতীয়বাৰৰ বাবে একেৰাহে ফাইনেলত প্ৰৱেশ কৰিছে যদিও দলটোৱে এতিয়ালৈকে মহিলা প্ৰিমিয়াৰ লীগৰ খিতাপ অৰ্জন কৰিবলৈ সমৰ্থ হোৱা নাই।

ooooo

**সমাপ্ত**